## ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়

# আন্তৰ্জাতিক মাতৃভাষা দিৱস পালন




**গুৱাহাটী, ২১ ফেব্ৰুৱাৰী ঃ** গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া আৰু বাংলা বিভাগৰ উদ্যোগত আভ্যন্তৰীণ মান নিৰূপক কোষৰ সহযোগত আজি কেইবাটাও কাৰ্যসূচীৰে আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন কৰা হয়। ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাণজিৎ কুমাৰ নাথে উদ্বোধন কৰা এই সভাখনত বক্তৃতা প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° মুকুল চক্ৰৱৰ্তীয়ে। উদ্বোধনী ভাষণ প্ৰসংগত অধ্যক্ষ ড° প্ৰাণজিৎ কুমাৰ নাথে অসমীয়া ভাষাৰ মাধুৰ্য আৰু জাতীয় জীৱনৰ পৰম্পৰাত ভাষাৰ ঐতিহাসিক গুৰুত্ব সম্পৰ্কত অসমীয়া ভাষাৰ এক গভীৰ অন্তৰ্দৃষ্টিৰ কথা আলোকপাত কৰে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰ ভাষণত মুকুল চক্ৰৱৰ্তীয়ে উল্লেখ কৰে যে ভাৰতবৰ্ষত হেজাৰৰো অধিক ভাষা আছে। কিন্তু ইয়াৰ বহুবোৰ ভাষা বিপদাপন্ন হোৱাৰ খবৰে সততে ভাষাপ্ৰেমীসকলক উদ্বিগ্ন কৰি আহিছে। উত্তৰ-পূৰ্বাঞ্চলৰ বিপদাপন্ন ভাষাসমূহৰ ভিতৰত অসমৰো দুই-তিনিটা ভাষা আছে। একেদৰে তেওঁ বাংলা আৰু অসমীয়া ভাষাৰ ঐতিহ্য সম্পৰ্কতো মননশীল আলোচনা আগবঢ়ায়। লগতে ছাত্ৰ-ছাত্ৰীসকলক বিশ্বৰ ভিন্ন প্ৰান্তত থাকিলেও মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধাশীল হ'বলৈ কয়। ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান অধ্যাপিকা ড° লিপিকা তালুকদাৰে আদৰণী ভাষণ আগবঢ়োৱা উক্ত সভাত উপস্থিত থাকি মহাবিদ্যালয়খনৰ শিক্ষা বিভাগৰ বিভাগীয় প্ৰধান অধ্যাপক তথা আভ্যন্তৰীণ মান নিৰূপক কোষৰ সমন্বয়ক ড° দীপাংকৰ তালুকদাৰে মাতৃভাষা প্ৰয়োগ সম্পৰ্কে মননশীল ব্যাখ্যা আগবঢ়ায়। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক জয়ন্ত ডেকাই আঁত ধৰা উক্ত অনুষ্ঠানতে মাতৃভাষাৰ প্ৰয়োগ আৰু গুৰুত্ব সম্পৰ্কীয় ভিন্ন দিশ আলোকপাত কৰে ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° দীপক পাঠকে। মাতৃভাষা দিৱসৰ কাৰ্যসূচীত মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ বিভাগীয় প্ৰধান অধ্যাপিকা ড° মালৱিকা শৰ্মাই অসমীয়া ভাষাত, হিন্দী বিভাগৰ সহকাৰী অধ্যাপক সুনীতা স্বৰ্গীয়াৰীয়ে বড়ো ভাষাত, বাংলা বিভাগৰ বিভাগীয় প্ৰধান অধ্যাপক মিহিৰ মজুমদাৰ আৰু ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক প্ৰিয়ংকা ৰায়াই নেপালী ভাষাত কবিতা পাঠ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে সংগীত পৰিবেশন কৰে। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী উপস্থিত থকা গাম্ভীৰ্যপূৰ্ণ সভাখনতে বিভিন্ন সাহিত্য প্ৰতিযোগিতাত স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কৃত কৰা হয়।

ASOMIYA PRATIDIN
Date: 22/02/2025
Pg. No: 02

# ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ত আত্মৰক্ষাৰ প্ৰশিক্ষণ শিবিৰ

**'আমাৰ অসম'ৰ মহানগৰ বাৰ্তা, ৭ মাৰ্চ ঃ** গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন কোষৰ উদ্যোগত আয়োজিত সপ্তাহযোৰা ছাত্ৰী সকলৰ আত্মৰক্ষাৰ প্ৰশিক্ষণ শিবিৰৰ আজি সামৰণি পৰে। ক্ৰীড়া প্ৰতিষ্ঠান আই টি এফ টেঙ ছ'ডুৰ সহযোগত ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ত আয়োজিত এই প্ৰশিক্ষণ প্ৰদান কৰে প্ৰতিষ্ঠানটিৰ কাৰিকৰী সঞ্চালক দেৱজিৎ গগৈ আৰু বৰ্ণালী গগৈয়ে। মহাবিদ্যালয়খনৰ ৮০গৰাকী ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই প্ৰশিক্ষণ শিবিৰত ছাত্ৰীসকলক আত্মৰক্ষাৰ ভিন্ন কৌশল সম্পৰ্কত শিক্ষাদান কৰা হয়। আজি মহাবিদ্যালয়খনৰ মুকলি মঞ্চতঅনুষ্ঠিত সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থী সকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাণজিৎ কুমাৰ নাথ, উপাধ্যক্ষ ড° দিপক পাঠক, আভ্যন্তৰীণ মান নিৰূপক কোষৰ সমন্বয়ক তথা শিক্ষা বিভাগৰ বিভাগীয় প্ৰধান অধ্যাপক ড° দীপাংকৰ তালুকদাৰ সমন্বিতে অধ্যাপক আৰু অধ্যাপিকা সকল উপস্থিত থাকে। এই প্ৰশিক্ষণ শিবিৰ সফলতাৰে সম্পন্ন হোৱাৰ বাবে মহিলা অধ্যয়ন কোষৰ সভাপতি তথা অধ্যাপিকা কাকলি চেতিয়া আৰু সম্পাদক তথা অধ্যাপিকা কবিতা ভূঞাই সংশ্লিষ্ট [illegible] জ্ঞাপন কৰে।

AAMAR ASOM
DATE: 08/03/2025
Pg. No. — 12